জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৫৪/২০২০

<u>অসম চাহ নিগম পৰিসীমিতৰ অধীনস্থ ১৫ খন চাহ বাগিচাত চাহ শ্ৰমিকসকলৰ পকী গৃহ নিৰ্মাণৰ আঁচনিৰ আধাৰশিলা স্থাপনেৰে শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

## ৰাজ্যখনৰ চাহ জনগোষ্ঠীৰ আৰ্থ-সামাজিক উত্তৰণৰ বাবে ক্ষমতাত থকা অৱস্থাত কংগ্ৰেছে একো নকৰিলে ঃ মুখ্যমন্ত্ৰী

## চাহ জনগোষ্ঠীৰ সমস্যা তথা হৃদয়ৰ আৱেগ-অনুভূতি প্ৰকৃতভাৱে অনুধাৱন কৰি জনগোষ্ঠীটোৰ উত্তৰণৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে বিভিন্ন আঁচনি নিখুঁতভাৱে ৰূপায়ণ কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ জুন ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম চাহ নিগম পৰিসীমিতৰ অধীনস্থ নগাঁও জিলাৰ আমলখী চাহ বাগিচাত আয়োজিত এক অনুষ্টুপীয়া অনুষ্ঠানৰ জৰিয়তে অসম চৰকাৰৰ চাহ জনজাতি কল্যাণ বিভাগৰ অনুদানেৰে ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ অধীনস্থ অসম চাহ নিগম পৰিসীমিতৰ ১৫ খন চাহ বাগিচাত চাহ শ্ৰমিকসকলৰ বাবে প্ৰথম পৰ্যায়ত ১৯০৩ টা পকী বাসগৃহ নিৰ্মাণৰ আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপনেৰে এই কাম-কাজৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে প্ৰথম পৰ্যায়ত এই আঁচনিখনৰ জৰিয়তে ১৫ খন চাহ বাগিচাৰ সৰ্বমুঠ ১৯০৩ টা পকীগৃহ নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰতিটো গৃহ নিৰ্মাণৰ বাবদ ১.৩০ লাখ টকা নিৰ্মাণ ব্যয় ধাৰ্য কৰা হৈছে। পৰৱৰ্তী পৰ্যায়ত এই কাৰ্যসূচীখনেৰে নিগমৰ অধীনস্থ বাগিচাসমূহৰ বাকী থকা পৰিয়ালসমূহকো সামৰি লোৱাৰ ব্যৱস্থা কৰা হ'ব। প্ৰথম পৰ্যায়ৰ এই গৃহসমূহৰ নিৰ্মাণৰ কাম-কাজ এই বৰ্ষৰ অক্টোবৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে।

ক'ভিড-১৯ সংক্ৰমণ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই উপলক্ষে অনুষ্টুপীয়াকৈ আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে ৰাজ্যখনৰ অৰ্থনীতি, সংস্কৃতি তথা বৃহত্তৰ অসমীয়া জাতি গঠনত গুৰুত্বপূৰ্ণ বৰঙনি যোগাই অহা চাহ জনগোষ্ঠীৰ উন্নয়নৰ বাবে স্বাধীনতাৰ পিছৰ ১৯৫২ চনৰ পৰা ৫৫ বছৰ ধৰি কেন্দ্ৰ আৰু ৰাজ্যত শাসনত থকা কংগ্ৰেছে তেওঁলোকৰ মৌলিক সমস্যাসমূহ সমাধানকল্পে কোনো কাম নকৰিলে বুলি কয়। দিল্লী আৰু দিছপুৰত চাহ শ্ৰমিকসকলৰ কল্যাণৰ কথা কোৱা কংগ্ৰেছে জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে বাজেটত কোনো ধৰণৰ ফলপ্ৰসূ আঁচনি আৰু পৰ্যাপ্ত পুঁজিৰ ব্যৱস্থা কৰা নাছিল বুলিও তেওঁ কয়। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' আদৰ্শ সাৰোগত কৰি বৰ্তমানৰ বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে ৰাজ্যখনৰ সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ লগতে চাহ জনগোষ্ঠীৰ সামগ্ৰিক উত্তৰণৰ দিশত বহু সংখ্যক ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে

কয়।

পূৰ্বৰ কংগ্ৰেছ চৰকাৰে এই জনগোষ্ঠীটোৰ সমস্যা তথা হৃদয়ৰ কথা অনুধাৱন নকৰাৰ বিপৰীতে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে তেওঁলোকৰ সমস্যা তথা হৃদয়ৰ আৱেগ-অনুভূতি প্ৰকৃতভাৱে অনুধাৱন কৰি ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ মাধ্যমেৰে তেওঁলোকৰ কল্যাণৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰি আঁচনিসমূহ নিখুঁতভাৱে ৰূপায়ণৰ ব্যৱস্থা কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। পূৰ্বৰ চৰকাৰে এই জনগোষ্ঠীটোক বিত্তীয় অৰ্ন্তভূক্তিকৰণৰ বাবে কোনো বাস্তৱসন্মত ব্যৱস্থা কৰা নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানৰ প্ৰতি লক্ষ্য ৰাখি বিগত সময়ত বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত ৭.৫০ লাখ বেংক একাউণ্ট খুলি আঁচনিৰ ধন প্ৰত্যক্ষভাৱে হস্তান্তৰকৰণৰ ব্যৱস্থা কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বেংক একাউণ্ট খোলা চাহ শ্ৰমিকক উৎসাহিত কৰাৰ বাবে ৰাজ্য চৰকাৰে দুটা কিস্তিত সৰ্বমুঠ ৫ হাজাৰ টকাৰ অনুদান প্ৰদান কৰিছে বুলিও তেওঁ কয়। ঠিক তেনেদৰে, এই জনগোষ্ঠীটোৰ শৈক্ষিক উত্তৰণৰ বাবে ১০২ খন হাইস্কুল, ৪০০ খন বিদ্যালয়ত দুগৰাকীকৈ অতিৰিক্ত ঠিকাভিত্তিক শিক্ষকৰ নিয়োগ, চাহ জনগোষ্ঠীৰ প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীসকললৈ বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে প্ৰশিক্ষণ প্ৰদান, জনগোষ্ঠীটোৰ ছাত্ৰীসকলক জি এন এমৰ প্ৰশিক্ষণ প্ৰদানৰ সুবিধা ইত্যাদিৰ লেখীয়া পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ জৰিয়তে গ্ৰহণ কৰা আঁচনিসমূহৰ ফলশ্ৰুতিত চাহ বাগিচাৰ লাখ লাখ জনসাধাৰণৰ চকুত লগা পৰিৱৰ্তন সম্ভৱ হৈ উঠিছে।

মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণৰ লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে ৰাজ্য চৰকাৰেও আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ পদক্ষেপ লৈছে বুলি কয় আৰু এই ক্ষেত্ৰত অসম চাহ নিগম পৰিসীমিতৰ অধীনস্থ চাহ বাগিচাসমূহে অগ্ৰণী ভূমিকা পালন কৰিব লাগিব বুলিও কয়। অসম চাহ নিগম পৰিসীমিতৰ বাগিচাসমূহে এই ক্ষেত্ৰত গুণগত মানসম্পন্ন অধিক চাহ উৎপাদনেৰে ৰাজ্যৰ অৰ্থনীতি টনকিয়াল কৰাৰ দিশত শক্তিশালী ভূমিকা পালন কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে এই আঁচনিখনৰ অধীনত নিৰ্মাণ হ'বলগীয়া প্ৰতিটো গৃহতে একোটিকৈ শৌচাগাৰ, খোৱাপানী যোগানৰ সুবিধা তথা চাৰিটাকৈ এল ই ডি বাল্ব বিনামূলীয়াভাৱে যোগান ধৰাৰ ব্যৱস্থা ল'বলৈও বিভাগক নিৰ্দেশ দিয়ে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এই আঁচনিখনক এক যুগান্তকাৰী আঁচনি বুলি অভিহিত কৰাৰ লগতে নিগমৰ অধীনস্থ ১৫ খন বাগিচাৰ ৮ হাজাৰ পৰিয়ালক পৰ্যায়ক্ৰমে এই আঁচনিখনৰ জৰিয়তে সামৰি লোৱাৰ পদক্ষেপ লোৱা হ'ব বুলি কয়। বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত অসম চাহ নিগম পৰিসীমিতৰ অৱস্থা পূৰ্বৰ তুলনাত বহুখিনি শক্তিশালী হৈছে বুলি উল্লেখ কৰি ২০১৫ চনত নিগমৰ চাহ উৎপাদন ১.৬৫ কোটি কেজিৰ বিপৰীতে বৰ্তমান ইয়াৰ উৎপাদন ২.৪৮ কোটি কেজি হৈছে বুলি কয়। এই উৎপাদন আৰু যদি ৪০ লাখ কেজি বৃদ্ধি কৰিব পৰা যায় তেতিয়াহ'লে অসম চাহ নিগম পৰিসীমিতই ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান হিচাপে কাৰো ওচৰত সহায়ৰ হাত পাতিব নলগা অৱস্থা এটাত উপনীত হ'ব পাৰিব বুলিও তেওঁ কয়। ঠিক তেনেদৰে ২০১৫ চনত নিগমৰ অধীনস্থ বাগিচাসমূহৰ শ্ৰমিকসকলৰ মজুৰি প্ৰতিগৰাকীৰ মাত্ৰ ৯৪ টকাৰ বিপৰীতে বৰ্তমান অন্য

বাগিচাৰ সমানে অৰ্থাৎ ১৬৭ টকালৈ বৃদ্ধি কৰা হৈছে বুলিও তেওঁ কয়। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে অসম চাহ নিগম পৰিসীমিতৰ বাগিচাসমূহৰ মুঠ ৰাজহ ২০১৫ চনৰ ৪৩.৯৫ কোটি টকাৰ বিপৰীতে বৰ্তমান ৮০ কোটি টকালৈ বৃদ্ধি হৈছে বুলিও কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি জল সম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই পূৰ্বৰ চৰকাৰৰ দিনত অসম চাহ নিগম পৰিসীমিতৰ বাগিচাসমূহ ৰুগ্ন হৈ পৰাৰ বিপৰীতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনৰ কাৰ্যকালত পূৰ্বৰ দৃশ্যপট সম্পূৰ্ণ সলনি হৈছে বুলিও কয়। বৰ্তমানৰ চৰকাৰখনে শাসনাধিষ্ঠিত হোৱাৰ চাৰি বছৰ পূৰ্বৰ পৰিস্থিতি আৰু আজিৰ পৰিস্থিতিৰ তুলনা কৰিলে ৰাইজে এই কথা প্ৰত্যক্ষ কৰিব পাৰিব বুলিও মন্ত্ৰীগৰাকীয়ে কয়। বৰ্তমানৰ চৰকাৰখনে কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ চাহ বাগিচাৰ প্ৰতিটো পৰিয়াললৈ বিভিন্ন আঁচনিৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিছে বুলিও তেওঁ কয়।

অনুষ্ঠানত বক্তব্য ৰাখি কৃষিমন্ত্ৰী অতুল বৰাই ১৯৭২ চনত তেতিয়াৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ দিনত স্থাপন হোৱা অসম চাহ নিগম পৰিসীমিতক শক্তিশালী কৰাৰ দিশত ইয়াৰ উত্তৰসুৰীসকলে কোনো ব্যৱস্থা নোলোৱাৰ ফলশ্ৰুতিত ৰুগ্ন হৈ উঠিছিল বুলি উল্লেখ কৰি বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত এই নিগমে শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হৈছে বুলি কয়। মন্ত্ৰীগৰাকীয়ে নিগমৰ অধীনস্থ বাগিচাসমূহত থকা খালী ভূমিত কম্পোজিট ফাৰ্মিং কৰাৰো পোষকতা কৰে যাতে এই ব্যৱস্থাৰে বিভিন্ন উৎপাদনমুখী ব্যৱস্থা হাতত ল'ব পৰা যায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণে আজিৰ দিনটোক এক ঐতিহাসিক দিন বুলি অভিহিত কৰে। আজিৰ এই দিনটোত মুখ্যমন্ত্ৰীয়ে ১৯০৩ টা পকীগৃহৰ আধাৰশিলা স্থাপনেৰে এই দিশত এক ইতিহাস ৰচনা কৰিলে বুলিও মন্ত্ৰীগৰাকীয়ে কয়। এই পদক্ষেপৰ লগতে জনগোষ্ঠীটোৰ উত্তৰণৰ বাবে লোৱা বিভিন্ন পদক্ষেপৰ জৰিয়তে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনে জনগোষ্ঠীটোৰ প্ৰতি থকা দায়বদ্ধতাৰ শক্তিশালী পৰিচয় দাঙি ধৰিছে বুলিও তেওঁ কয়। বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালতে চাহ জনগোষ্ঠীৰ বিভিন্ন পুৰোধা ব্যক্তি যেনে চাইমন সিং হ'ৰ', দয়াল দাস পানিকা, শ্বহীদ মাংৰি ওৰাং ইত্যাদিয়ে জনমানসত বিশেষ মৰ্যাদা বুটলিবলৈ সক্ষম হৈছে বুলিও কয়। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত চাহ জনগোষ্ঠীটোৰ সামগ্ৰিক উত্তৰণৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ সবিশেষ ব্যাখ্যা আগবঢ়ায়।

অসম চাহ নিগম পৰিসীমিতৰ অধ্যক্ষ অমিয় কুমাৰ বৰাই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, লোকসভাৰ সাংসদ তথা প্ৰাক্তন মন্ত্ৰী পল্লৱ লোচন দাস, চাহ জনজাতি কল্যাণ বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কাইও ভাষণ প্ৰদান কৰে।

অনুষ্ঠানত নগাঁও আৰু ৰহা বিধানসভা সমষ্টিৰ বিধায়কদ্বয় ক্ৰমে ৰূপক শৰ্মা আৰু ডিম্বেশ্বৰ দাস, অসম চাহ নিগম পৰিসীমিতৰ উপাধ্যক্ষ সীমাঞ্চল দীঘাল, বিভিন্ন নিগম-নিকায়ৰ অধ্যক্ষ, অসম চাহ নিগম

পৰিসীমিতৰ পৰিচালন সঞ্চালক ৰাণী কাথাৰপি, নগাঁও জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে আমলখী চাহ বাগিচা চৌহদত ফল, ফুল আৰু ঔষধি এই তিনিওটা প্ৰজাতিৰ তিনি জোপা গছপুলি ৰোপণ কৰে।

**বঃভাঃ**
**৩০/০৬/২০২০**